**অসমাপিকাৰ নঞৰ্থক ৰূপ ঃ**

তুমি **নপঢ়িলে** ময়ো **নপঢ়োঁ**।
**নোখোৱাকৈ** নাথাকিবা।
**নাখাই-নবই** মৰিব খুজিছানেকি?
ল'ৰাটো **নাখাই নাখাই** মৰিল।
**নপঢ়ি নপঢ়ি** পঢ়িবৰ মন নোযোৱা হ'ল।

**কৃদন্তৰ নঞৰ্থক ৰূপ ঃ**

মই **নোশোওঁতেই** তেওঁ পালেহি।
**নকৰোঁতে নকৰোঁতে** কাম কৰিবৰ মন নোযোৱা হ'ল।
তেওঁ **নকৰা** কাম নাই।
**নকৰিবলগীয়া** কামবোৰ কিয় কৰা? ইত্যাদি।

কেতিয়াবা ভৱিষ্যত কালৰ ক্ৰিয়াপদৰ পাছত সন্দেহবোধক বা অনিশ্চয়াৰ্থক **জানো** ব্যৱহাৰ কৰিও নোহোৱা অৰ্থ প্ৰকাশ কৰিব পাৰি। যেনে,

মই বিয়ালৈ যাম **জানো**!

এনে বাক্যত সুৰটোও মন কৰিবলগীয়া কথা। ইয়াত **জানো** শব্দই 'নোযোৱাটোৱেই ভাল হ'ব' এনে অৰ্থ প্ৰকাশ কৰিছে। এইদৰে বাক্যবিন্যাসগত দিশৰপৰা বিচাৰ কৰিলে নঞৰ্থক ক্ৰিয়াপদৰ বা নোহোৱা বুজোৱা ৰূপবোৰৰ প্ৰয়োগত ভালেখিনি বৈচিত্ৰ্য দেখা যাব।*

**১২.১০.৫ সহায়কাৰী ক্ৰিয়া** (auxiliary verbs) ঃ এনে ক্ৰিয়া মিশ্ৰ বা যৌগিক কালৰ ক্ৰিয়াপদতহে দেখা যায়। ইয়াত প্ৰথম আৰু মুখ্য ক্ৰিয়াপদটো অসমাপিকা ৰূপত ৰাখি তাৰ পাছত সহায়কাৰী ক্ৰিয়াটো সমাপিকা হিচাপে ব্যৱহাৰ কৰি ক্ৰিয়াপদটোৰ অৰ্থ সম্পূৰ্ণ কৰা হয়। গতিকে যি ক্ৰিয়া আন এটা ক্ৰিয়াৰ অৰ্থ প্ৰবল কৰি বুজাবলৈ সহায়ক হিচাপে ব্যৱহাৰ কৰা হয়, তাকেই সহায়কাৰী ক্ৰিয়া বোলা হয়। 'সকলোবোৰ ধাতু সহায়কাৰী ক্ৰিয়া হিচাপে ব্যৱহাৰ নহয়। কিছুমান বিশেষ ধাতুহে সহায়কাৰী ক্ৰিয়া হিচাপে ব্যৱহৃত হয়।' তেনে কিছুমান মুখ্য সহায়কাৰী ক্ৰিয়াৰ ধাতু হৈছে ঃ লাগ, ধৰ, পেলা, হ, উঠ্‌, দি, থাক্‌, আছ্‌, পৰ, খা, খোজ আদি। এই সহায়কাৰী ক্ৰিয়াবোৰ সাধাৰণতে (ক) ই প্ৰত্যয়ান্ত অসমাপিকা ক্ৰিয়া, (খ) নিমিত্তাৰ্থক ক্ৰিয়া, (গ) অতীত কৃদন্ত আৰু (ঘ) বিশেষ্য-বিশেষণ আদি শব্দৰ পিছত যোগ হয়। যেনে — **খাই পেলা**। এনে সহায়কাৰী ধাতুযুক্ত যৌগিক ধাতুবোৰ ৰূপ কৰিলে সহায়কাৰী ধাতুটোৰহে বিভিন্ন কাল আৰু পুৰুষত ৰূপ হয়। উদাহৰণ,

* ড° গোলোকচন্দ্ৰ গোস্বামীদেৱৰ 'অসমীয়া ব্যাকৰণ প্ৰৱেশ'ত নঞৰ্থক ক্ৰিয়াপদৰ বিষয়ে তুলনামূলকভাৱে কিছু বহল আলোচনা হৈছে। এই বিষয়ে বহলকৈ আলোচনা কৰা দুটা ভাল প্ৰবন্ধ হ'ল ড° লীলাৱতী শইকীয়া বৰাৰ 'মাধৱ কন্দলিৰ ৰামায়ণৰ নঞৰ্থক ক্ৰিয়াপদ' আৰু উপেন ৰাভা হাকাচামৰ 'অসমীয়া ভাষাৰ নঞৰ্থক ক্ৰিয়া আৰু নঞৰ্থকতা' গৰীয়সী, আগষ্ট, ২০০৫।

(ক) খাই **পেলালো**, গিলি **থলি**, হাঁহি **মাৰিলা**, কৈ **দিম**, কান্দি **উঠিলোঁ** আদি।
(খ) পঢ়িবলৈ **লাগিলো**, কান্দিবলৈ ধৰিলে, শুবলৈ ধৰিছোঁ, খাবলৈ ধৰিলি ইত্যাদি।
(গ) আজিকালি সদায় **পঢ়া কৰিলো**, **লিখাপঢ়া কৰিলি**, সোনকালে **শোৱা কৰিবা** ইত্যাদি।
(ঘ) পঢ়াত **মন দিবা**, চাহ তেনেই চেঁচা হ'ল, বিহুনাচ দেখি সকলোৱে গা **উঠিল**। পৰীক্ষাৰ কাৰণে পঢ়িবলৈ **মন বান্ধিছোঁ** আদি।

**১২.১০.৬ নিমিত্তাৰ্থক ক্ৰিয়া** ঃ এই ক্ৰিয়াবোৰ অসমাপিকা ক্ৰিয়াৰূপত পোৱা যায়। ইয়াৰ পিছত সদায় সহায়কাৰী ক্ৰিয়া হিচাপে এটা সমাপিকা ক্ৰিয়া লগ লাগে। সাধাৰণতে নিমিত্ত অৰ্থ বুজোৱা **ইব** প্ৰত্যয়ান্ত ধাতুৰ পিছত **-অৰ** আৰু **-অলৈ** যোগ কৰি নিমিত্তাৰ্থক অসমাপিকা গঠন কৰা হয়। ইয়াৰ পিছতহে সহায়কাৰী সমাপিকা ক্ৰিয়া ব্যৱহাৰ কৰি নিমিত্তাৰ্থক ক্ৰিয়াৰ অৰ্থ সম্পূৰ্ণ কৰা হয়। কেতিয়াবা অকল ইব্ প্ৰত্যয়ান্ত ধাতুটোৱেই সাধাৰণ নিমিত্তাৰ্থক ক্ৰিয়া ৰূপে ব্যৱহৃত হয়। উদাহৰণ,

আত্মঘাতী হৈ **মৰিব** খুজিছা কিয় ?
ৰ'বা, কথা নক'বা, মই **পঢ়িব** খুজিছোঁ।
দেউতা অফিচৰপৰা **আহিবৰ** হৈছে।
যাওঁ, বহুত কাম **কৰিবলৈ** আছে।
তোমাক বহুত কথা **ক'বলৈ** আছে।
তোমাৰ ওচৰত অংকটো **শিকিবলৈ** আহিছোঁ।

ইয়াত ক্ৰমে **খুজিছা, খুজিছোঁ, হৈছে, আছে** আৰু **আহিছোঁ** ক্ৰিয়া ব্যৱহাৰ হৈছে ক্ৰমে **মৰা, পঢ়া, অহা, কৰা, কোৱা** আৰু **শিকা** কাৰ্য সম্পাদনৰ নিমিত্তে। গতিকে কোনো ক্ৰিয়া সম্পাদনৰ নিমিত্তে আন ক্ৰিয়া সম্পাদিত হ'লে সম্পাদনৰ নিমিত্তে থকা ক্ৰিয়াটোক নিমিত্তাৰ্থক[৬] ক্ৰিয়া বোলা হয়। এটা ক্ৰিয়াৰ অৰ্থে আন এটা ক্ৰিয়া ব্যৱহাৰ হয় কাৰণে এনে ক্ৰিয়াক **ক্ৰিয়াৰ্থ ক্ৰিয়া** (simple infinitive) বুলিও কোৱা হয়।

নিমিত্তাৰ্থক ক্ৰিয়াটো সংজ্ঞা শব্দৰ দৰে ব্যৱহাৰ হ'লে নিমিত্তাৰ্থক সংজ্ঞা (Gerund) হয়। ইয়াত সমাপিকা ক্ৰিয়াটো উহ্য থাকে। যেনে,

আপেল **খাবলৈ** বৰ ভাল।
অংকটো **কৰিবলৈ** উজু।

**১২.১০.৭ কৃদন্ত পদ (Participles)** ঃ কৃদন্ত পদবোৰ বৰ্তমান, অতীত আৰু ভৱিষ্যত – এই তিনিটা কালত পোৱা যায়। সেয়েহে কাল অনুযায়ী কৃদন্ত পদ তিনি বিধ ঃ বৰ্তমানকালিক কৃদন্ত, অতীত বা ভূতকালিক কৃদন্ত আৰু ভৱিষ্যতবাচক কৃদন্ত। কৃদন্তপদবোৰ

৬. সংস্কৃতত তুমুন্ অৰ্থত **তুম্** প্ৰত্যয় যোগ হয় কাৰণে এই ক্ৰিয়াক তুমুনন্ত ক্ৰিয়া বোলা হয়। অসমীয়াত নিমিত্ত অৰ্থ প্ৰকাশ কৰে কাৰণে এনে ক্ৰিয়াক নিমিত্তাৰ্থক ক্ৰিয়া বুলি কোৱা হয়।